**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-OCT-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ মুঠ ৩২ হাজাৰ ৪৮২ গৰাকী হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কলিয়াবৰ সমষ্টিত প্ৰায় ৪ হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে আৰু এনে আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। আত্মসহায়ক গোটসমূহৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ১২ হাজাৰ কোটি টকাৰ ঋণ লৈছে আৰু এই ঋণৰ ধন নিয়মীয়াকৈ ঘূৰাই দি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত ৪০ লাখ মহিলাক সামাজিক আৰু ব্যক্তিগতভাৱে সহায় কৰি এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে বুলিও ড০ শৰ্মাই ভাষণত উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে লখিমপুৰ জিলা ভ্ৰমণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি, আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা আৰু স্থানীয় বিধায়ক মানৱ ডেকাৰ লগতে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩০ অক্টোবৰ বিয়লি জিলাখনত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ ৩১ অক্টোবৰত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই লগতে লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী, দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক কালি পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

ইপিনে বিশিষ্ট সাহিত্যিক ড০ ৰীতা চৌধুৰীয়ে কালি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত চলি থকা তদন্তৰ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াই গুৱাহাটীৰ উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ এছ আই টিৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চলি থকা গোচৰত কালি চাংসাৰি আঞ্চলিক ৰঙালী বিহুৰ বিষয়ববীয়াসকলেও বিশেষ তদন্তকাৰী গোটৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। একেদৰে বাদ্যযন্ত্ৰী চবিন দাসেও কালি এছ আই টিৰ ওচৰত ভাষ্য প্ৰদান কৰে।

নিশা জুবিনক্ষেত্ৰত গৰিমা শইকীয়া গাৰ্গ উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে পৰহিলৈ মুক্তি পাবলগীয়া জুবিন গাৰ্গৰ বহু প্ৰত্যাশিত ছবি **ৰৈ ৰৈ বিনালে** সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ উল্লেখ কৰে যে **ৰৈ ৰৈ বিনালে** ছবিখন জুবিন গাৰ্গৰ নহয়, এয়া অসমবাসীৰ সপোন। জুবিন গাৰ্গৰ সপোনক বাস্তৱায়িত কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিছো বুলি তেওঁ উল্লেখ কৰে।

## ৰাইট (গৰিমা)

০০০০০০

শিৰসাগৰৰ সামাজিক, সাংস্কৃতিক সংগঠন প্ৰভাতী সংঘৰ উদ্যোগত কালি গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি সংঘৰ কৰ্মকৰ্তাসকলে জেঙণিকটীয়া দুই আলিমাজ অঞ্চলত ১০০ টা নাহৰ পুলি ৰোপণ কৰা হয়। সংঘৰ সদস্যসকলে ৰোপণ কৰা গছপুলিৰ সঠিক যতন লোৱাৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে অনাগত সময়ত এই কাৰ্যসূচী ব্যাপক ৰূপত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

ঢকুৱাখনা সম জিলাৰ সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ এখন বৈঠক কালি অনুষ্ঠিত হয়। বৈঠকত ব্যৱসায় পৰিচালনা কৰোতে সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰাৰ লগতে অহা ১ৰ পৰা ১০ নৱেম্বৰলৈ পালন কৰিবলগীয়া অন্নসেৱা দিন আৰু ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনৰ নতুন আঁচনি ৰূপায়ণ আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব। এই বৈঠকত ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেৰ লগতে লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী ছোনিয়া বৰগোহাঁই উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড়ৰ মিলন নগৰত ব্ৰাইট দা লাইটৰ সৌজন্যত কালি কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁইৰ কাব্য সংকলন 'ব্যঞ্জনবাদ' উন্মোচন কৰা হয়। ঔপন্যাসিক জুৰি বৰা বৰগোহাঁই, অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত কবি ড° নিৰোদ গোহাঁই, পোলেন গগৈ, কৌশিক বাস্যস, চিন্তু সমীৰ বৰগোহাঁইকে ধৰি কেইবাগৰাকীও কবি-সাহিত্যিকে অংশগ্ৰহণ কৰে।

০০০০০০

শিৰসাগৰ জিলাৰ দিছিয়ালত কালি দিখৌ নৈত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। যুৱকজনক শিৰসাগৰৰ আমোলাপট্টিৰ মুনীন দাস বুলি পৰিয়ালৰ লোকে চিনাক্ত কৰিছে। যোৱা শনিবাৰৰ পৰা যুৱকজন সন্ধানহীন হৈ আছিল। যুৱকজনৰ মটৰ চাইকেল, মোবাইল ফোন আদি সেইদিনাই ঢুলীয়াপাৰত উদ্ধাৰ হৈছিল যদিও যুৱকজনৰ সন্ধান পোৱা হোৱা নাছিল।

০০০০০০

সমাপ্ত